# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 24-06-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::::**

চৰকাৰে বিদ্যুৎৰ বৰ্ধিত চাহিদালৈ চাই ৰাজ্যৰ শক্তিখণ্ডত অধিক গুৰুত্ব প্ৰদান কৰিছে। ধুবুৰী জিলাৰ বিলাসীপাৰা সমজিলাৰ অন্তৰ্গত চাপৰ ৰাজহ চক্ৰৰ অধীনৰ চিৰাকুটা চাৰুৱা বকৰাত স্থাপন কৰিবলগীয়া প্ৰস্তাৱিত তাপ শক্তি প্ৰকল্পৰ স্থান পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে চাহিদা অনুপাতে বিদ্যুৎ যোগানৰ বিকল্প ব্যৱস্থা সাজু কৰি তোলাটো জৰুৰী হৈ পৰিছে। তেওঁ কয়, যে বিলাসীপাৰাৰ প্ৰস্তাৱিত ৩ হাজাৰ ৪০০ মেগাৱাট শক্তিসম্পন্ন তাপ বিদ্যুৎ কেন্দ্ৰটোৱে অসমৰ বিকাশ শক্তিশালী কৰাত সহায় কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে এই উদ্যোগটো কাৰ্যক্ষম হ'লে স্থানীয় যুৱক-যুৱতীসকলৰ বাবে কেইবাহাজাৰ প্ৰত্যক্ষ আৰু পৰোক্ষ কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হ'ব বুলি মন্তব্য কৰে। প্ৰস্তাৱিত স্থানত বিধিগতভাৱে বাস কৰা লোকসকলক পৰ্যাপ্ত ক্ষতিপূৰণ আৰু পুনৰ সংস্থাপন প্ৰদান কৰা হ'ব বুলি তেওঁ আশ্বাস দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট বিষয়াসকলৰ সৈতে ৩ হাজাৰ ৩০০ বিঘাৰো অধিক ভূমি সামৰি নিৰ্মাণ হ'বলগীয়া প্ৰকল্পটোৰ আন্তগাথনিমূলক প্ৰয়োজনীতা সন্দৰ্ভতো পৰ্যালোচনা কৰে। পৰিদৰ্শনকালত মুখ্যমন্ত্ৰীৰ সৈতে ৰাজ্য চৰকাৰৰ মুখ্য সচিব ডঃ ৰবি কোটাও উপস্থিত থাকে।

০০০০

ৰাজ্য চৰকাৰে উৰণ সেতুৰ পুনৰ নিৰ্ধাৰিত নক্সাৰ বাবে দিঘলীপুখুৰীৰ বিপৰীত দিশৰ অসম ৰাজ্যিক সংগ্ৰাহলয় চৌহদত আৰু ইয়াৰ আশে পাশে থকা ২৩ জোপা পৈনত গছ স্পৰ্শ নকৰে। উৰণ সেতু নিৰ্মাণৰ নামত গছ কটাৰ বিৰুদ্ধে গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানিৰ সময়ত আজি ৰাজ্য চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিত শইকীয়াই এই তথ্য সদৰি কৰে। তেওঁ ইতিমধ্যে স্থানান্তৰিত কৰা গছসমূহৰ স্থিতি সন্দৰ্ভত ফটোসহ এখন শপত নামা দাখিল কৰিব বুলি ন্যায়ালয়ক অৱগত কৰে। উল্লেখযোগ্য যে অসম ৰাজ্যিক সংগ্ৰহালয়ৰ লগতে ইয়াৰ চৌপাশৰ ২৩ জোপা গছ স্থানান্তৰিত কৰাৰ আশংকা প্ৰকাশ কৰি দুজনকৈ লোকে উচ্চ ন্যায়ালয়ত এই ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰিছিল।

০০০০

শিৱসাগৰৰ ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰৰ ভটিয়াপাৰত থকা ১৪৭ নম্বৰ তৈলখাদটোৰ পৰা হোৱা গেছ নিৰ্গমন অহা দুই-এদিনৰ ভিতৰতে সম্পূৰ্ণকৈ নিয়ন্ত্ৰিত হোৱাৰ আশা কৰা গৈছে। অ' এন জি চিয়ে ধাৰাষাৰ বৰষুণ আৰু কুপস্থলীৰ প্ৰত্যাহ্বানপূৰ্ণ পৰিবেশৰ মাজতো আন্তৰাষ্ট্ৰীয় কুপ নিয়ন্ত্ৰণ বিশেষজ্ঞৰ সহযোগত কুপ নিয়ন্ত্ৰণ অভিযানত কৌশলগত অগ্ৰগতি লাভ কৰিছে। বিশেষজ্ঞসকলে ইতিমধ্যে ৮০ মিটাৰ দৈৰ্ঘ্যৰ বুম সম্পন্ন দুশ টনৰ

ক্ৰেন এখন স্থাপন কৰিবলৈ সমৰ্থ হৈছে। কুপ কেপিং অভিযানৰ প্ৰস্তুতি পৰ্বৰ এয়া গুৰুত্বপূৰ্ণ অগ্ৰগতি হিচাপে বিবেচিত হৈছে।

০০০০

কোকৰাঝাৰৰ লোকসভা সাংসদ জয়ন্ত বসুমতাৰীয়ে আজি  চিৰাং জিলাৰ শৈক্ষিক আন্তগাথনি সুদৃঢ় কৰাৰ উদ্দেশ্যে কাজলগাওঁস্থিত চিৰাং জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান ডায়েটত অধ্যয়নৰত দূৰ-দূৰণিৰ শিক্ষাৰ্থী সকলৰ বাবে ৫০ খন বিচনাযুক্ত ছাত্ৰাবাস আৰু ছাত্ৰী নিৱাসৰ আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে প্ৰতিষ্ঠানখনৰ সীমাৰ দেৱাল নিৰ্মাণৰো আধাৰশিলা স্থাপন কৰে।

০০০০

গোলাঘাট জিলা প্ৰশাসনে আজি চৰকাৰী ভূমি দখল কৰি থকা ১০টা পৰিয়ালক উচ্ছেদ কৰি ২০ বিঘা চৰণীয়া ভূমি দখলমুক্ত কৰে। দীৰ্ঘদিন ধৰি একাংশ লোকে এই চৰণীয়া ভূমিত নিগাজিকৈ ঘৰ সাজি বসবাস কৰি আহিছিল বুলি আমাৰ গোলাঘাটৰ সংবাদদাতাই জনাইছে। আজি পুৱাৰে পৰা জিলা প্ৰশাসনে আৰক্ষী আৰু নিৰাপত্তা বাহিনীৰ সহযোগত উচ্ছেদ অভিযান চলায়।

০০০০

কাছাৰ আৰক্ষীয়ে শিলচৰ বাইপাছৰ সমীপৰ আই এছ বি টিত অভিযান চলাই যোৱা নিশা প্ৰায় ৩ কোটি টকাৰ ভাংসহ তিনিজন সৰবৰাহকাৰীক আটক কৰে। আৰক্ষীয়ে অভিযানৰ সময়ত ত্ৰিপুৰাৰ পৰা অহা দুখন বাহনৰ পৰা ৮৬টা ভাঙৰ পেকেট উদ্ধাৰ কৰে। ত্ৰিপুৰাৰ ধৰ্মনগৰৰ পৰা চোৰাংভাৱে সামগ্ৰীখিনি সৰবৰাহ কৰা হৈছিল বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে। এই সংক্ৰান্তত অধিক তদন্ত অব্যাহত আছে।

০০০০

গৰমৰ প্ৰকোপ কিছু পৰিমাণে হ্ৰাস পোৱাৰ প্ৰতি লক্ষ্য ৰাখি ধেমাজি জিলাত বিদ্যালয়সমূহৰ পাঠদানৰ সময়সূচী পুনৰ পূৰ্বৰ দৰে নিয়মীয়া সময় অনুসৰি কৰাৰ নিৰ্দেশ দিয়া হৈছে। জিলা শিক্ষা বিভাগে জাৰি কৰা নিৰ্দেশ অনুসৰি কাইলৈৰ পৰা জিলাখনৰ সকলো চৰকাৰী-বেচৰকাৰী বিদ্যালয়ত পূৰ্বৰ সময় অনুসৰি পাঠদান কৰিব লাগিব। পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত এই নিয়মীয়া সময়সূচী বাহাল থাকিব বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

০০০০

অসমৰ আস্থা চৌধুৰীয়ে ভুৱনেশ্বৰত চলি থকা ছিনিয়ৰ ৰাষ্ট্ৰীয় সাতোৰ প্ৰতিযোগিতাত দ্বিতীয়টো স্বৰ্ণ পদক অৰ্জন কৰিছে। আস্থাই আজি মহিলাৰ দুশ মিটাৰ বাটাৰফ্লাই শিতানত ২ মিনিট ২০ দশমিক ৬-৩ চেকেণ্ডৰে সোণৰ পদক অৰ্জন কৰে। খেলুৱৈগৰাকীয়ে প্ৰতিযোগিতাৰ প্ৰথম দিনা এশ মিটাৰ বাটাৰফ্লাইত সোণৰ পদক অৰ্জন কৰিছিল।

০০০০

সমাপ্ত